ছাজদাহ অৱস্থাত বান্দা প্ৰতিপালকৰ আটাইতকৈ নিকটৱৰ্তী থাকে। গতিকে সেই সময়ত তোমালোকে বেছি বেছি দুআ কৰিবা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ছাজদাহ অৱস্থাত বান্দা প্ৰতিপালকৰ আটাইতকৈ নিকটৱৰ্তী থাকে। গতিকে সেই সময়ত তোমালোকে বেছি বেছি দুআ কৰিবা। [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে এই হাদীছটোত বৰ্ণনা কৰিছে যে, ছাজদাৱস্থাত বান্দা নিজ প্ৰতিপালকৰ আটাইতকৈ নিকটৱৰ্তী থাকে। কিয়নো মুছল্লীয়ে নিজৰ সৱাতোকৈ সন্মানিত অংগসমূহ ছাজদাহ অৱস্থাত মাটিত ৰাখি মহান আল্লাহৰ ওচৰত অনুনয়-বিনয় কৰে তথা আনুগত্য প্রকাশ কৰে। সেইকাৰণে নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে ছাজদাহ অৱস্থাত অধিক দু‘আ কৰিবলৈ নিৰ্দেশ দিছে। যাতে কথা আৰু কৰ্ম উভয়ৰ মাধ্যমেৰে মহান আল্লাহৰ ওচৰত বিনয় আৰু নম্রতা প্ৰকাশ হয়।

http://sunnah.global/hadeeth/as/show/5382